A.W.S
B-B.

UNIVERSITY OF GAUHATI
LIBRARY
Date 16-6-49
POSTGRADUATE DEPARTMENT

স্বাধীন অসমৰ—

# অ—আ—ক—খ

## প্ৰথম-দ্বিতীয় ভাগ

শ্ৰীৰাজমোহন নাথ, বি-ই, তত্ত্বভুষণ

সৰ্ব্বস্বত্ব সংৰক্ষিত

বেচ—৩০ তিনি মহা।

প্ৰকাশিকা—

শ্ৰীভাৰতী নাথ,

মিমোছাৰিজ, নংথিমাই,

শ্বিলং, অসম।

—প্ৰথম সংস্কৰণ—

বহাগ—১৮৭১ শকাব্দা

এপ্ৰিল, ১৯৪৯ ইং

NAT
3233

শ্বিলং, বাণী প্ৰেছত ছপা কৰা হ'ল।

UNIVERSITY OF GAUHATI
LIBRARY
Date.......................
POSTGRADUATE DEPARTMENT

# —পাতনি—

সাৰ্ব্বজনীন শিক্ষা আন্দোলনৰ গাই উদ্দেশ্য গাৱঁলীয়া মানুহক অতি কম সময়ৰ মাজত আখৰ পৰিচয়, আখৰ জোঁটনি আদি শিকোৱাৰ লগতে সাধাৰণৰ প্ৰয়োজনীয় কথাবোৰ শিক্ষা দিয়া।

ছন্দত ৰচনা কৰা পদবিলাক অতি সহজতে মুখস্থ কৰা যায়, আৰু সেই পদত যদি শিকিব লগীয়া শব্দ আৰু প্ৰয়োজনীয় আখৰ জোঁটনিৰ দিহা থাকে তেনে হলে দুয়ো উদ্দেশ্য সিদ্ধ হৈ শিক্ষা উজু হয়।

অসমত আগৰ দিনত কাইথ বিলাকে পঢ়াশালীত লৰাবিলাকক 'অ-ফলা', 'ক-ফলা', 'ক্ষ-ফলা', 'স্ক-ফলা', 'সিদ্ধি-ফলা,' 'আকাৰ-ফলা', 'নাম খড়ি ভাঙ্গা বা বৰ্ণবিন্যাস', 'সৰু নেওতা' আদি শিকাই লগতে সাধাৰণ জ্ঞানৰ অনেক কথা শিক্ষা দিছিল।

বৰ্ত্তমান কিতাপত প্ৰাচীন-কলীয়া ৰীতি আৰু দেশৰ আধুনিক পৰিস্থিতিৰ প্ৰতি দৃষ্টি ৰাখি শব্দবিন্যাস আৰু আখৰ জোটনিৰ সমাৱেশ কৰি সৰল পদ্য ৰচনা কৰা হৈছে।

শব্দ বা পদৰ অৰ্থৰ প্ৰতি প্ৰথমতে বিশেষ মন দিব না লাগে। প্ৰথম লক্ষ্য শব্দ আৰু আখৰ জোঁটনি শিকা। শব্দ আৰু পদবোৰ মুখস্থ হলে পিচত লাহে লাহে অৰ্থবোধ হব।

দেশৰ বস্তু, দেশৰ বুৰঞ্জী, নেতা, কবি আদিৰ নাম জানিলে দেশাত্মবোধ জাগে। দেশৰ বৰ্ত্তমান ৰাজনৈতিক পৰিস্থিতি সম্পৰ্কেও সাধাৰণ জ্ঞান থকা প্ৰয়োজন। শব্দ বিন্যাসৰ সময়ত এইবোৰৰ প্ৰতিও বিশেষ দৃষ্টি ৰখা হৈছে।

শিলঙ,
১৭।৪।৪৭ ইং

শ্ৰীৰাজ মোহন নাথ

891-498
3233

প্ৰথম ভাগ।

UNIVERSITY OF GAUHATI
LIBRARY
Date........................
POSTGRADUATE DEPARTMENT

স্বৰ বৰ্ণ

# অ আ ই ঈ

অ —অসম দেশ মোৰ জনম ঠাই
আ—আহোম ৰজাৰ সমান নাই
ই —ইটাগড় কছাৰীৰ নগৰ
ঈ —ঈশান কোণত ঘুগুৰা গড়

---

# উ ঊ ঋ ঌ

উ—উমাপতিৰ কৈলাসগিৰি
ঊ—ঊষাৰ নগৰ শোণিতপুৰী
ঋ—ঋষি মুনি সাধু জন
ঌ —ঌকাৰ যেন দেহাৰ গঠন

# এ ঐ ও ঔ

এ—এৰা পাতেৰে পলু পোহে
ঐ—ঐৰাৱতত উঠি আছে
ও—ওখ টিলাত হয় জুম খেতি
ঔ—ঔটেঙা খায় বনৰ হাতী

---

অঁ আঁ ইঁ ঈঁ
উঁ ঊঁ ঋঁ ঌঁ
এঁ ঐঁ ওঁ ঔঁ

অ আ ই ঈ—লৰাই হাহে হি হি ॥
উ ঊ ঋ ঌ- আমি খাওঁ খাৰ খাৰলি ॥
এ ঐ ও ঔ—মাখিৰ বাহাত ওপজে মৌ ॥

## অ-ফলনা নাম

অ এ বোলে—অসমীয়া ভাই শুনা দিয়া মন
আ „ „ আই হেন আমাৰ দেশখন
ই „ „ ইতৰ জনক ঘিন ন কৰিবা
ঈ „ „ ঈশ হৰিক সবাতে দেখিবা
উ „ „ উমৈহতীয়া দেশৰ সকল ধন
ঊ „ „ ঊৰাল আমাব ঘৰৰ বৰ যতন্
ঋ „ „ ঋণ কৰি খেতিয়কবোৰ মৰে
ঌ „ „ (ঌ) লিক্‌চৌ সাজি পৰৱ কাম কৰে
এ „ „ এপইচা ও যতনে ৰাখিবা
ঐ „ „ ঐয়াহৈয়া কথাত মন নিদিবা
ও „ „ ওপৰচকুৱা কাম ন কৰিবা
ঔ „ „ ঔষধ সদাই বেমাৰত খাবা

---

## ব্যঞ্জন বৰ্ণ

# ক খ গ ঘ ঙ

ক—কছাৰী বৰ বীৰৰ জাতি
খ—খাচিয়াই মানে মাতৃ ৰীতি
গ—গাৰোপাহাৰ তুলাৰ ঠাই

ঘ—ঘিলাজাৰত হাউলি নাই—
ঙ—বেঙে নাচে পানী পাই
মাইহাঙত তুলি ভাত খায়

---

# চ ছ জ ঝ ঞ

চ—চৰকা হাতত কাটে সূতা
ছ—ছাতি মূৰত, ভৰিত জুতা
জ—জয়সাগৰৰ পাৰত দৌল
ঝ—ঝাউগছত মাখিৰ বোল
ঞ—গোসাঞিও গুৰুক সেৱা কৰা
পিতাৰ আদেশ পালন কৰা

---

# ট ঠ ড ঢ ণ

ট—টোকাৰী বায় ভকত জনে
ঠ—ঠেগি ভৰাই চাউল আনে
ড—ডবা কোবায় নাম ঘৰত
ঢ—ঢোল বজায় বিহু নাচত
ণ—কাণ-খোৱা পুথিৰ মধুৰ বুলি
কাণপাতি শুনে লৰা-ছোৱালী

---

# ত থ দ ধ ন

ত—তলাতলি ঘৰ ৰংপুৰত
থ—থাপনাত সেৱা কৰে ভকত
দ—দানিয়ালৰ হাজোত কবৰ
ধ—ধনমাণিকৰ সোণৰ নগৰ
ন—নগাৰ হাতত কাঁড় তীৰ
হাতত লাঠি ডাঙৰ বীৰ

---

Gauhati University.

# প ফ ব ভ ম

প—পাতকাই পাহাৰ নবাৰ দেশ
ফ—ফাকিয়ালৰ বৌধ বেশ
ব—বদন ফুকনে মান আনে
ভ—ভোমৰা কলিয়াই বঙাল হানে
ম—মণিৰাম বীৰ বৰ দেৱান
ফাঁচিত গৈ ৰাখিলে দেশৰ মান

---

# য ৰ ল ৱ শ

য—যঁতৰত সূতা কাটে ছোৱালী
ৰ—ৰংপুৰত ঘৰ তলাতলি
ল—লৰাই ফুৰে হাবিৰ মাজত
ৱ—বনমালীদেৱে পঢ়ে ভাগৱত
শ—শৰণ লই গুৰুৰ আগত
থাপনাত সেৱা কৰে ভকত

---

# ষ স হ ড় ঢ়

ষ—ষাড় দেখি ভয়ত লৰে
স—সাপৰ লগত খেল কৰে
হ—হাতী ধৰে খেদাৰ গড়ত
ড়—গঁড় দেখিলে গৈ গোলাঘাটত
ঢ়—বাঢ়নি লৈ চোঁতাল সাৰে
আইয়ে ছোৱালীক আদৰ কৰে

# য়ুঁ ৎ ং ঃ ৺

ন্ম—সমন্ম থাকোঁতে নাম লয়

ৎ—সৎলোকৰ মনত নাই ভয়

ং— ইংৰাজ আছিল বিদেশী ৰজা।

ঃ— দুঃখ দি আমাক পালে মজা।

৺—৺ুঁাহ মাৰি ভাত খাই গল

বিলাত দেশলৈ গুচি গল

---

| | | | | |
|---|---|---|---|---|
| ক | খ | গ | ঘ | ঙ |
| চ | ছ | জ | ঝ | ঞ |
| ট | ঠ | ড | ঢ | ণ |
| ত | থ | দ | ধ | ন |
| প | ফ | ব | ভ | ম |
| য | র | ল | ব | শ |
| ষ | স | হ | ড় | ঢ় |
| য় | ৎ | ং | ঃ | ঁ |

## ক-ফলা নাম

ক এ বোলে—কলিকালত গান্ধী অৱতাৰ।
খ " " খদ্দৰৰ কৰা ব্যৱহাৰ ॥
গ " " গাৰু ছাগলী ৰাখা যতন কৰি।
ঘ " " ঘিউ মাখন খাবা পেট ভৰি ॥
ঙ " " ডাঙৰী ভৰাই ৰাখা ঘৰত ধান।
ভাও গাঁজা কানি এৰি ৰাখা দেশৰ মান ॥

---

চ " " চৰকাত সূতা কাটা দিনে ৰাতি।
ছ " " ছোৱাঁ-ছুইত না যায় কাৰো জাতি ॥
জ " " জাতি ভেদ মিছা ভেম এৰা।
ঝ " " ঝাণ্ডাৰ ওপৰত ত্ৰিৰঙাখন উড়া।
ঞ " " গোসাঞিঁৰ আগত চিঞৰ না মাৰিবা।
চিঞা পৰা ককাল লৈ বিহুলৈ না যাবা।

---

ট " " টকা-পইছা সাঞ্চা দিয়া মন।
ঠ " " ঠাট্টা তামচাত নু-উৰাবা ধন ॥

ড এ বোলে--ডাঙৰ কামক ন কৰিবা ভয়।
ঢ ,, ,, ঢোল বজাই গোৱা দেশৰ জয় ॥
ণ ,, ,, কাণ নি দিবা পথালি কথাত।
গুণৰ পূজা আছে সদা গুণীৰ সভাত ॥

---

ত ,, ,, তয়াঁতোকা ডাঙৰক ন কৰা।
থ ,, থাপনাক হেলা ন কৰিবা ॥
দ ,, ,, দন্দ-কাজিয়া হীন মনৰ চিন্।
ধ ,, ,, ধনী গৰীব একো ন হয় ভিন্ ॥
ন ,, ,, নতি স্তুতি গুৰুজনকে কৰা।
নৰম কথা কোৱা সদাই, টান কথা এৰা।

---

প ,, ,, পদূলিবোৰ গাৱঁৰ চাফ্ ৰাখিবা।
ফ ,, ,, ফলফূলৰ গছ তাতে লগাবা ॥
ব ,, ,, বন্ধুৱা ভাই খেতিত লগোৱা মন।
ভ ,, ,, ভাং মদ খাই নাশ ন কৰা ধন ॥
ম ,, ,, মদ এৰি মাখন মধু খোৱা।
মাধৱ হৰিৰ পদে সদা কৰা সেৱা ॥

---

য এ বোলে—যাঁতৰ খন গৃহস্থৰ ধন।
ৰ ” ” ৰাম নাম গান্ধীজীৰ বচন ॥
ল ” ” লাঙ্গলখন কৃষিৰ সম্বল।
ৱ ” ” ভাৱনা কৰা ভকত সকল ॥
শ ” ” শঙ্কৰদেৱ আমাৰ জগৎ-গুৰু
ভক্তিভাৱে তেৰাৰ পদে নমস্কাৰ কৰোঁ ॥
ষ ” ” ষাণ্ডমৰ্দ্দন কৰিছিল শঙ্কৰ।
স ” ” সত্ৰ আমাৰ কৃষ্টিৰ আকৰ ॥
হ ” ” হাতী আমাৰ দেশৰ ডাঙৰ ধন।
ড় ” ” গঁড় আছে কাজিৰঙ্গাৰ বন ॥
ঢ় ” ” বাঢ়নি দি ঘৰ চোঁতাল সাৰিবা।
চাফ্ চিকুণ ৰলে সদাই মনত সুখ পাবা ॥

---

য় ” ” সময় থকাত লেখা পঢ়া কৰা।
ৎ ” ” সৎ লোকৰ সঙ্গ সদাই ধৰা ॥
ং ” ” কংগ্ৰেছ দেশোদ্ধাৰৰ মূল।
ঃ ” ” দুঃখ পাবা যদি কৰা ভুল ॥
ঁ ” ” বাঁহী বোৰা সবে ৰং মন।
কংগ্ৰেছৰ জৰীয়তে বাঢ়োক ধন জন ॥

খৰতৰ বৰশৰ হত-দশ-বদন ।
খগচৰ নগধৰ ফণধৰ শয়ন ॥
জগদঘ অপহৰ ভৱভয়-শমন ।
পৰ-পদ-লয়-কৰ কমলজ-নয়ন ॥

## আকাৰৰ বচনা।

আ-কাৰ=া —আমাৰ গাওঁত ভাল বাট।
গায়ন বায়ন বজাৰ পাট॥

ই-কাৰ=ি —খাচিয়া মিশামি মিকিৰ মিৰি।
ভাল পায় সবাই শুখ গিৰি॥

ঈ-কাৰ=ী —কমলাবাৰীত গায় বৰগীত।
ভাগবত পাঠ আউনী ঘাটত॥

উ-কাৰ=ু —পুখুৰীত ফুলিল পদুম ফুল।
শিহুকক কৰিলে কুমীৰ ভুল॥

ঊ-কাৰ=ূ —ধূলিমখা গাভৰুৰ ৰূপ।
দলনিত ঢকা পানীৰ কূপ॥

ঋ-কাৰ=ৃ —তৃণ না খাই গাভী মৃত।
মাতৃৰ গৃহত নাই ঘৃত॥

এ-কাৰ=ে —যেকেৰা বাহৰত ৰণ লাগে।
সেনাপতি ভয়তে ভাগে॥

ঐ-কাৰ=ৈ —সৈনিক গৈছে নৈৰ পাৰত।
বৈঠা লৈ পলাই ৰ'ল ভৈয়ামত॥

ও-কাৰ=ো—ভোমৰা ভকতে টোকাৰী বায়।
ভোটভালেৰে নাম লগায়॥

ঔ-কাৰ=ৌ—দিখৌৰ পানী থৌকি বাথৌ।
সৌমাৰ দেশত ওপজে মৌ॥

3233

## আমাৰ দেশৰ পাহাৰ

অকা দফলা মিৰি মিশমি আবৰ আৰু পাতকাই।
চিংফৌ নগা খাচিয়া জৈন্তা মিকিৰ লুছাই॥
এই বোৰ নানা পাহাৰ আছে আমাৰ দেশত।
পাহাৰীয়া ভাই ভনী বসতি কৰে যত॥

---

## আমাৰ দেশৰ নদ-নদী

দিবাঙ দিহাঙ লোহিত নৈ দিকৰং ভৰালি।
দিচাং ৰাউতা দিখৌ ভোগদৈ দিখাৰু কপিলী॥
ধনশিৰি যমুনা বৰনৈ মনাহ বেকী আই।
দিগাৰু বৰপানী হাৰিয়া শিঙাৰা ডুধনাই।
এইবোৰ নানা ডাঙৰ নৈ আছে মোৰ দেশত।
আমাৰ খেতি ভাল হয় তাবেই পলসত॥

---

## আমাৰ দেশৰ গছ-গছনি

শাল চেগুন আজাৰ গামাইৰ ৰাতা ও সোণাৰু।
তিতাচাঁপা বন সোম কৰৈ নাহৰ ও শিহাৰু॥
হলক ভেলৌ কলা-জামুক পুমা কঠাল আম
ঔটেঙা শিলিখা ভোমৰা বাদাম বগী-জাম॥

বামডালা ওতিয়া ঝালুৰা হিজল বানৰ-ডিমা।
গণশৰৈ ৰুইমলা চাম খৈৰ বগীপুমা ॥
মোমাইলেটেকু হলঙ পাইন আৰু ঠোটগলা।
মাকৰীশাল কৰৈ কহিৰ উৰিয়াম বলা ॥
এইবোৰ নানা গছ ওপজে আমাৰে বনত।
তাকে কাটি সজাওঁ আমি আমাৰ ঘৰ শকত ॥

——:o:——

## আমাৰ দেশৰ শাকপাচলি

আমাৰ বাগানত ফলে নানা শাক পাচলি।
সুখ মনেৰে তাকে আমি খাওঁ তিনি বেলি ॥
লাই লফা পালেং চুকা পদুনা ধনীয়া।
মৰিচা বাবৰি জীৰা মেথধু টেকুৰা ॥
কলা-ডিল লাউ কোমোৰা ভোল ঝিকা পটল।
অমৃতা উৰহি তিয়ঁহ বেঙেনা কেচা-কল ॥
মাটি-মাহ মূগ মছুৰ তিল বুট মটৰ।
কচু এদা পিয়াঁজ নহুৰ সৰিয়হ অৰহৰ ॥
ভাতকেবেলা তিতাকেৰেলা জালুক জলকীয়া।
পুঁই কাহুৰি মানিমুনি ওল আলু টেকীয়া ॥
বেত-গাজ তৰা-গাজ মহানিম-তিতা।
বাঁহগাজ, মৰিটেঙা ছেলেং বালি-তিতা ॥

ৰগৰী আনাৰস আম কঠাল ও থেকেৰা।
তেতেলী জামীৰ নেমু আমলকি অমৰা ॥
বাগানত ওপজে এইবোৰ বনত পাওঁ সদাই।
এইবোৰ খাই জীয়াই থাকোঁ আমি ভাই ককাই ॥

---

## আমাৰ দেশৰ মাছ

শিঙি মাগুৰ পাভ কাবৈ চেঙ গৰৈ কৰতি।
কুঁৰিহা খলিহা ইলিচ টুৰি পুঠি পৰতি ॥
খাব-খাতি পাতি-মুতুৰা নাৰোয়া শিল-ঘৰীয়া।
শৌল-চেনাৰ, শাল ভাঙন ককিলা নাৰীয়া ॥
ৰৌ বৰালি আৰি পাঙা মিৰগা বিঠা শৌল।
কছ বছ চিতল কাটল এলেঙি গাগল ॥
ঘিলাচাঁদা গৰুৱা ভেহুৰা লছিমা কুছিয়া।
মহাশৌল কাওৰা টিঙৰা বছা ঘেণা বটিয়া ॥
এইবোৰ মাছ আছে আমাৰ নৈ পুখুৰী বিলত।
জাল বৰহী জকাইত ধৰি খাই হওঁ শকত ॥

---

## আমাৰ দেশৰ ধান

বাও আহু শালি আমাৰ দেশৰ তিনিবিধ ধান।
চহাই কৰে ভুঁইত খেতি বঢ়ায় দেশৰ মান ॥
বঙাল-বাও ঘুৰাঝোল পঁচিশ বিধ বাওধান ॥
ইকীৰা বেতগুটি আদি তিন কুৰি আহুধান ॥
দেৰশমান শালিধানৰ নাম আছে জনা।
জহা লাহি ৰামশালি দেৰধান জেঙেনা ॥
ডাঙৰ চাউলৰ ভাত খায় গৰীব দুঃখী জনে।
মাণিক মধুৰী জহা চাউল খায় ধনীগণে ॥
খেতি কৰা গৰীব চহা আমাৰ দেশৰ বল।
চহাৰ গুণত সকল গুণী ন হলে টলমল ॥

## আমাৰ ঘৰ

ভলুকা বাঁহৰ খুটি, চাল জাতি বাঁহৰ।
ইকৰাৰে বেৰ দিওঁ, কাম্নি কাক বাঁহৰ ॥
টকৌপাত, উলু, ৰাঙি খেৰৰ ছাউনি।
আহাৰৰ ৰৰষুণতো নু উৰুথে পানী ॥
মাটিৰ লেপা বেৰখন গোবৰ মিহলাই।
বাঁহৰ চাটাইৰ দৰজা খিলিকি হাৰা যায় খেলাই ॥

তাতেই সুখত কটাওঁ ৰাতি তাতেই খাওঁ ভাত।
না লাগে ইটা, বিলাতী মাটি, না লাগে টিনপাত॥
দেশৰ মাটিত দেশৰ ধন দেশৰ বাঁহ-বাঁহনি।
তাৰেই সজা ঘৰখনতে আমিই ৰজাৰাণী॥

---

## আমাৰ জাতীয় ভাই

অসম দেশৰ চাৰিওপিনে আছে নানা জাতি।
অকা দফলা আবৰ খম্‌তি পাহাৰত বসতি॥
নগা গাৰো চিংফৌ খামিয়া কুকী ও লুছাই।
মিৰি মিশমি লালুং মিকিৰ সকলো মোৰ ভাই॥
ডিমাছা কছাৰী দেউৰী বড়ো ও চুতিয়া।
আমাৰ জাতীয় ভাই ওচৰ চুবুৰীয়া॥
আহোম আমাৰ ভাই, আছিল আমাৰ ৰজা।
দোল দেৱালয় সজাই দিছে এতিয়াও কৰোঁ পূজা॥
কোচ কলিতা বামুণ শূদ্দিৰ কায়েথ নদীয়াল।
নাথ-কাটুনী বনিয়া হীৰা আমাৰ পৰিয়াল॥
অসম দেশ-মোৰ মাতৃভূমি মোৰ ওপজা ঠাই।
এই দেশতে থকা লোক সব আমাৰ জাতীয় ভাই॥

---

## গণনা

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ |
| এক | দুই | তিনি | চাবি | পাঁচ | ছয় | সাত | আট | ন | দশ (দহ) |

এক দুই তিনি—সুখী অসমীয়া ভাই ভনী।
চাবি পাঁচ ছয়—অসমীয়াই কাকো ন কৰে ভয়।
সাত আট ন (য়)—চাবিওপিনে অসমৰ জয়।
একত শূইন দশ(হ)—বিয়পি পৰে অসমৰ যশ॥

---

## যোগ নেওতা

মণিৰাম দেৱানে কৰে উজল অসম ভুঁই।—১
দেশভকত তৰুণ ৰাম এৰে একে দুই॥—১+১=২
কৰমবীৰ জাতীয় নেতা বৰদলৈ নবীন।
দেশৰ কামত মাতি থাকে দুয়ে একে তিন॥—২+১=৩
দেশৰ কাৰণ আগবণুৱা ৰোহিণী চৌধুৰী।
চৰকাৰ ভয়ত কঁপে তিনে একে চাৰি॥—৩+১=৪
হাতী বৰুৱা ৰোহিণীৰ বাণীৰ আছে সাঁচ।
গাৱেঁ ভুৱেঁ যতে ততে চাৰিয়ে একে পাচ॥—৪+১=৫
কুলধৰ চলিহাই এৰি চৰকাৰী বিষয়।
দেশ-সেৱাৰ কামত লাগে পাঁচে একে ছয়॥—৫+১=৬

আব্দুল মজিদ গুণা বৰ বীৰ যেন দেখাত।
টিটাবৰত আছিল ঘৰ ছ'য়ে একে সাত ॥—৬+১=৭
লগতে ঘনচাম (ঘনশ্যাম) বৰুৱা ঘৰ গোলাঘাট।
শাসন কামত গুণী বৰ সাতে একে আট ॥—৭+১=৮
চাদুল্লা চাহাবৰ নাম সাৰা দেশময়।
ৰাজনীতি বিশাৰদ আটে একে ন(য়) ॥—৮+১=৯
আমাৰ নেতা গোপীনাথ ৰৰদলৈৰ যশ।
জগৎ বিয়পি পৰে ন'ত একে দশ ॥—৯+১—১০

---

## —উপদেশ—

এৰিয়া অপৰাধ দেৱঋষি।
নামত যতন কৰা হৃষিযি ॥
নামেসে কৰিব পৰম সিধি।
হৰিৰ নাম জগতৰ নিধি।
মুকুতি পাবৈ এৰাহ্ অপৰাধ।
কহিলো নাৰদ নাহিকৈ বাধ ॥
আজি কালি কিবা মিলৈ মৰণ।
হৰিৰ নামত লৈয়ো শৰণ ॥

—( কীৰ্ত্তন )

——:০:——

স্বাধীন অসমৰ—

# অ আ ক খ

—দ্বিতীয় ভাগ—

## যুক্তাখৰ—ক-কনা

ক ঙ গ ম্ব ঙ

ক্+ক=ক্ক—পোৱামক্কা থান আছে হাজোৰ ওচৰত।
ফুক্কনে কক্কোৰ কৰি কাঁহে অবিৰত ॥

ঙ্+ক=ঙ্ক—লঙ্কালৈ যাওঁতে মোৰ মনত শঙ্কা হয়।
সোণৰ পঙ্কজ আছে লোকে মিছাই কয় ৷

ঙ্+খ=ঙ্খ—নামঘৰত শঙ্খ বজায় পূজাৰী বামুণ।
ময়ূৰপঙ্খী পাঙ্খা বনায় হাটিত ভকতগণ ॥

ঙ্+গ=ঙ্গ—খঙ্গত পৰিল ৰঙ্গা কুৰঙ্গ-নয়নী।
সঙ্গীৰ ইঙ্গিতে বধে ৰাঘৱক হানি ॥

ঙ্+ঘ=ঙ্ঘ—খাচিয়া পাহাৰ লঙ্ঘি জঙ্ঘা-পীঠ থান।
কলিযুগত সঙ্ঘভাৰক সবে কৰে মান ॥

---

চ ছ জ ঝ ঞ

চ্+চ=চ্চ—উচ্চকৈ উচ্চাৰণ পঢ়োঁতে কৰিবা।
খচ্চৰৰ চিঞৰ শুনি ভয় ন কৰিবা ॥

চ্+ছ=চ্ছ—আচ্ছা ভাল- তুচ্ছভাৱে কভু নুবুলিবা
ইচ্ছাকৈ কুচ্ছিতকো হেলা নকৰিবা ॥

চ্+ঞ=চ্ঞ—মানীলোকে যাচ্ঞা কৰা ভাল নাই পায়
তথাপি পাঁচখন গাওঁ মাগে যদুৰায় ॥

জ্+জ=জ্জ—লজ্জাৰ ভয়ত বজ্জাতক কদাপি নেৰিবা।
ৰজ্জু দি মেৰাই ধৰি দুই চৰ মাৰিবা॥

জ্+ঝ=জ্ঝ—কুজ্ঝটিকা ঘন কুৰঁলি মাঘ মাহৰ ৰাতি।
উজ্ঝটিকা ভৰিৰ সাজ পুৰণি কলীয়া ৰীতি॥

জ্+ঞ=জ্ঞ—অজ্ঞ লোকে কথা কয় বিজ্ঞৰ নিচিনা।
যজ্ঞ দেখি জিজ্ঞাসিছে কিহৰ ভাৱনা॥

ঞ্+চ=ঞ্চ—পঞ্চ জন ৰঞ্চক আহি মঞ্চত উঠি ৰল।
সঞ্চিত ধনত বঞ্চিত কৰি চোঞ্চা মাৰি গল॥

ঞ+ছ=ঞ্ছ—লাঞ্ছনা নাপাম বুলি বাঞ্ছা যদি মনে।
উঞ্ছভাৱ এৰি কৰা নিজ কাম যতনে॥

ঞ্+জ=ঞ্জ—গাঞ্জা এৰি আঞ্জা খাই সঞ্জাত হৈ শুনি।
সঞ্জয়ে ৰাখান কৰে ধনঞ্জয়ৰ ৰাণী॥

---

## ট ঠ ড ঢ ণ

ট্+ট=ট্ট—খোট্টাজনক পাট্টা বেচি চোৰ-চোট্টাই কাঁহে।
ঠাট্টা কৰি অইন জনক অট্ট হাঁহি হাঁহে॥

ণ্+ট=ণ্ট } দেশৰ কণ্টক সিটো ঘিণ সবে কৰে।
ণ্+ঠ=ণ্ঠ } কণ্ঠত শিকলি লগাই গছকি ভাক মাৰে॥

Gauhati University.

ণ্+ড=ণ্ড—ডাণ্ডা কোবাই সেই জনক ঠাণ্ডা কৰি দিবা।
গণ্ডত দুই চৰ মাৰি গণ্ডপ এৰুৱাইবা ॥

---

ত থ দ ধ ন

ত্+ত=ত্ত—বিত্ত যাৰ ঘৰত আছে চিত্ত তাৰ থিৰ।
মত্ত জন উত্তৰ দিয়াত সদাই অধীৰ ॥

ত্+থ=ত্থ—উত্থান পতন হয় জগতৰ ৰীতি।
কুলত্থ কলাই দি কৰে পূজাৰ আৰতি ॥

ত্+ন=ত্ন—যত্ন যেই কৰে সেই ৰত্ন লাভ কৰে।
সযত্নে ন কৰি কাম দুঃখ ভুঞ্জি মৰে ॥

দ্=দ=দ্দ—খদ্দৰৰ কাপোৰ কিনে নিধিৰাম পোদ্দাৰ।
মন মাথোন নাই তাত উদ্দাম লৰাৰ ॥

দ্+ধ=দ্ধ—অনিৰুদ্ধই যুদ্ধ কৰি বদ্ধ হ'ল গড়ত।
যাদৱে শুনিলে কথা উদ্ধৱৰ মুখত ॥

ন্+ত=ন্ত—দন্ত মেলি কৃতান্ত যেন জন্তুবোৰ আছে।
সন্ত জনে শান্ত ভাৱে তাকে দেখি হাঁহে ॥

ন্+থ=ন্থ—মন্থনৰ মাঠি ভাঙি কলীয়াই দৈ খায়।
পান্থ সাজি পন্থা ধৰি কন্থা লৈ যায় ॥

ন্+দ=ন্দ—আনন্দৰ কন্দ যেই সেই সদানন্দ।
মন্দ লোকে দন্দ কৰি হয় নিৰানন্দ ॥

ধ=ন্ধ—অন্ধ জন বন্ধ থাকি এন্ধাৰ ঘৰত।
গান্ধীৰ সন্ধান পায় লোকৰ মুখত ॥
ন্‌+ন=ন্ন—একে চকুৰ অন্ন খাই ভিন্ন ভাৱ হ’ল।
খুন্দাখুন্দি কৰি সৱ উছন্নলৈ গ’ল ॥

---

ম্প ম্ফ ম্ব ম্ভ ম্ম

প্‌+প=প্প—অসমৰ ওখ পাহাৰ জাপ্পো কোহিমাত।
টপ্পা গাই আপ্পাৰাও উঠিল গৈ তাত ॥
ব্‌+ব=ব্ব—মুৰব্বা খাই আব্বাছ আলিয়ে দাঁত নিকটাই হাঁহে।
চাব্বাছ বুলি তব্বাবকে লাহে লাহে কাহে।
ম্‌+প=ম্প—লম্পটে চম্পট দিলে সম্পাতৰ ভয়ত।
কম্পিত ভাৱেৰে নিলে চম্পক হাতত ॥
ম্‌+ফ=ম্ফ—ইম্ফললৈ যাব শুনি গোম্ফত দিয়ে মোচৰ।
পাহাৰত গুম্ফা হেৰি কাম্পে থৰ থৰ ॥
ম্‌+ব=ম্ব—অম্বালিকাই অম্বুবাচিত বিম্বফল খায়।
কম্বলত কদম্ব ফুল ভৰাই লৈ যায় ॥
ম্‌+ভ=ম্ভ—পৰিবৰ নাই সম্ভাৱনা দম্ভ কৰি কয়।
কাপোৰ চম্ভালি পানী কুম্ভ ভৰি লয়।
ম্‌+ম=ম্ম—মহম্মদৰ বাণী কোৱাণ আহাম্মকে না জানে।
সম্মোহন বিদ্যা শিকি একোকে না মানে ॥

## য ৰ ল ৱ শ

য+য=য্য } শয্যাত পৰিয়া কান্দে সাহায্যৰ কাৰণ।
ৰ্+ =ˊ } সূৰ্য্যৰ পিনে হাত বঢ়াই জপে আৰ্য্যগণ॥
ল্ য=ল্য—শল্যবীৰৰ তুল্য সিজন কথাৰ মূল্য নাই।
অহল্যাক মই কল্য চাম—বুলি যায় পলাই॥
ল+ল=ল্ল—পল্লীগাৱঁত উল্লসিত হ'ল চহাগণ।
হল্লাকৈ বল্লম হাতত পালে গৈ বন॥
ৰ্+য=ৰ্য্য—ৰ্য্যাসকলাই বাপুৰ সবে গীতাৰ বাখান শুনে।
হৰ্য্য কৰ্য্যত ফল নাই হৰিৰ নাম বিনে॥
শ+য=শ্য } বেশ্যাগণে বশ্য কৰে ধনী মানুহ চাই।
শ+ৰ=শ্ৰ } সুশ্ৰী বেশে অশ্ৰুপাত কৰি বোলে ভাই।
ৰ্+শ=ৰ্শ—অৰ্শ ৰোগত ভুগি উঠি বৰ্শা লৈ হাতত।
শতৰুৰ দৰ্শন পাই লৰি যায় পিছত॥
শ্+ল=শ্ল—শ্লোক বাখানত পণ্ডিতৰ শ্লাঘাৰ কথা শুনি।
অশ্লীল ভাৱাত কুশ্লীল গালি দেয় অভিমানী॥

---

# ভিন্ ভিন্ ব্যঞ্জন যুক্তাক্ষৰ

## —ক্ষ ফলা—

ক্+ত=ক্ত—শক্তভাৰে তক্তাত বহি মুক্ত সব ভকত।
যুক্ত কৰে ভক্তিভৰে শুনে ভাগৱত ॥

ক্+য=ক্য—বাক্য নাই মুখত একো শাক্য মহামুনি।
সালোক্য লভিছে বোলে চাণক্যয় কয় শুনি।

ক্+ৰ=ক্ৰ—চক্ৰযানত বক্ৰপথত শক্ৰ পৰাক্ৰমী।
তক্ৰ হাতত শুক্ৰ গুৰুক নমে পৰি ভূমি ॥

ৰ্+ক=ৰ্ক—অৰ্কদেৱক পূজে বামুণ মধুপৰ্ক দানে।
মিছামিছি তৰ্ক কৰে সতৰ্ক না মানে ॥

ক্+ল=ক্ল—চুক্লেংমুঙ্গে বিয়া কৰায় ছক্লং ৰীতি মানি।
শুক্লপখীয়া মাজনিশা শুক্ল কাপোৰ আনি ॥

ক+ব=ক্ব—অপক্ব মধুৰি-আম পায় যদি লৰাই।
পক্ব কাঠাল-আম অমৃতা দূৰত থয় পেলাই ॥

ক+ত্+ঋ=ক্তৃ } আৰকত বক্তৃ হ'ল বক্তৃতাৰ কালত।
ক+ত্+ৰ =ক্ত্ৰ } শক্তিপূজাতৰ ক্ত ফোট লয় নিজ ভালত॥

ক+ম=ক্ম—ৰুক্মিণীৰ হৰণ কথা শুনি ৰুক্মবীৰ।
যাদৱক গালি পাৰে খঙত হয় অধীৰ ॥

ক+ষ=ক্ষ—তক্ষকে বামুণ বেশে পৰীক্ষিতক হানে।
ৰক্ষক ভক্ষক হ'লে কাক কোনে মানে ॥

ক্+ষ+য=ক্ষ্য—সাক্ষ্য দিওঁতে লক্ষ্য নাই আচল কথাত।
দুয়ো পক্ষ আছে ৰত ভক্ষ্য বিচৰাত ॥

ক্+স=ক্স—নক্সা চাই টেকেলাই টেক্স আদায় কৰে।
ৰিক্সাৰ উপৰ বাক্স লৈ ঘৰে ঘৰে ফুৰে ॥

—o:o—

খ+য=খ্য—আলেখ্য চাই ব্যাখ্যা কৰে ভাগৱত কাহিনী।
সখ্যভাৱে মূখ্যজনে সমজুৱাক দিয়ে বাণী ॥

খ্+ৰ=খ্ৰ—বাঘ-দেৱতাক উমখ্ৰা বুলি পূজে মিকিৰ জাতি।
চুখ্ৰামফা নৃপতি আছিল চুবিন্‌ফাৰ নাতি ॥

ৰ্+খ=ৰ্খ—গোৰ্খাজাতি বৰ যুজাৰু ভুজালি হাতত।
গো-মূৰ্খ জনে বুৰ্খা দেখি পলাইছে ভয়ত ॥

—:o:—

গ্+ধ=গ্ধ—দুগ্ধ খাই মুগ্ধ হল বিদগ্ধ ছৰাল।
কেৰাহীত জুপি খোৱাত দগ্ধ হল কপাল ॥

গ্+ন=গ্ন—নগ্ন দেহা বামুণ জন ভগ্ন ঘৰৰ চোকত।
ৰুগ্ন হৈয়ো মগ্ন সদা পূজা হোম জপত ॥

গ্+ম=গ্ম } বাগ্মীবৰৰ যুগ্ম হাতে মেজত ভুকুৱাত মতি।
গ্+য=গ্য } ভাগ্য গুণে যোগ্য জন আছিল সভাপতি ॥

গ্+ৰ=গ্ৰ—উগ্ৰভাৱে কংগ্ৰেছৰ সংগ্ৰাম চলিছে।
সাগ্ৰহে মহাত্মাজীয়ে সামগ্ৰী জোগাইছে ॥

ৰ্+গ=র্গ---চাৰি বৰ্গ ফল পায় গৰ্গ মহামতি।
ভৰ্গ আৰু অৰ্গলাক পূজি দিনে ৰাতি ॥

গ্+ল=গ্ল } মুখত তেওঁৰ গ্লানি নাই কথাত নাই জোৰ।
ল্+গ=ল্গ } বক্তাই বলকিছে যেন বল্গাহীন ঘোৰা ॥

---

ঘ্+ন=ঘ্ন—অতিথিক গোঘ্ন বোলে পুৰণি ভাষাত।
কৃতঘ্ন জনৰ বিঘ্ন য'তে দিয়ে হাত ॥

ঘ্+ৰ=ঘ্ৰ—ঘ্ৰাণ পাই ব্যাঘ্ৰ ভাৰি শীঘ্ৰে পলাই গল।
বিচাৰ কৰি পিছত দেখে আছিল জোহামল॥

ৰ্+ঘ=ৰ্ঘ } মহাৰ্ঘ সামগ্ৰী কিনি অৰ্ঘ্য সজাই দিলে।
ৰ+ঘ্+য=ৰ্ঘ্য } বানৰে ঘৰ্ঘৰ কৰি টানি লৈ পলালে ॥

---

চ+য=চ্য—উচ্চ-বাচ্য ন কৰাকৈ অচ্যুতে কয় বাণী।
পাণ্ডৱক এৰি দিয়া গ্ৰাম পঞ্চখানি ॥

ৰ+চ=ৰ্চ—ভালকৈ চৰ্চ্চা কৰি কৰিলে অৰ্চ্চনা।
সুখ্যাতি ন কৰি তেওঁক কৰিলে ভৰ্চ্চনা ॥

জ্‌+য=জ্য—আজ্যপুৰাই হোম কৰি ৰাজ্য লাভ কৰে।
তাকে ও এৰি গুছিগল সাযুজ্য লাভ তৰে ॥

জ্‌+ৰ=জ্র } বজ্রপাত হয় যেন শুনো ঘনে ঘন।
ৰ্‌+জ=র্জ্জ } অৰ্জ্জুনে কৰিছে আজি ঘোৰ দুৰ্জ্জয় ৰণ ॥

—:o:—

ণ্‌+য=ণ্য—পুণ্যৰ কাৰণে শূণ্য-বাদত লভিলে শৰণ।
ঘৃণ্য ভাৱে ভণ্ড গণ্য কৰে সঙ্গীগণ ॥

ৰ্‌+ণ=র্ণ—উত্তমৰ্ণ নহয় দাতাকৰ্ণ অধমৰ্ণই জানে।
সুবৰ্ণৰ কুণ্ডল ডাল কৰ্ণ ছিঙ্গি আনে ॥

---

ত্‌+ব=ত্ব } ত্বচৰ পৰশ মোহ কটাবাৰ তৰে।
ত+ত্‌+ব=ত্ত্ব } ঋত্বিকে সাত্ত্বিক ভাৱে জপতপ কৰে ॥

ত্‌+ম=ত্ম
ত+ম্‌+য=ত্ম্য
ৰ্‌+ত্‌+ম=ৰ্ত্ম
ত্‌+য=ত্য

মহাত্মাৰ শুদ্ধ কথা আত্মশুদ্ধি কৰা।
গীতাৰ মাহাত্ম্য বুজি সত্য বৰ্ত্ম ধৰা।

ত্‌+ৰ=ত্র } সত্রলৈ গৈ ছাত্রবোৰে পকামিঠৈ খায়।
ত্‌+ৰ্‌+উ=ত্রু } মিত্রভাৱে শত্রুজনক সৎকথা শিকায় ॥

ব্+ত=র্ত } সর্ত্ত মতে কাৰ্ত্তিকত বাৰ্ত্তিকা পাঠ কৰি।
ত্+ত্+ব=ত্ত্ব } গুৰুৰ মহত্ত্ব বঢ়ায় চৰণ সেৱা কৰি ॥

---

থ্+য=থ্য—ৰোগৰ তথ্য জানি পথ্য দিলে কবিৰাজ।
তাক না খাই মিথ্যাকৈ দিলে মোক লাজ ॥
ৰ+থ=ৰ্থ—যুদ্ধ কৰা অনৰ্থ মূল পাৰ্থে কয় বাণী।
পৰমাৰ্থ যাদৱে কয় গীতাত বাখানি ॥

---

দ্+গ=দ্গ—মৌদ্গাল ঋষিৰ পুত্ৰই মুদ্গাৰ লৈ হাতত।
বিযোদ্গাৰ কৰি আছে সদাই বাক্যত ॥
দ্+ঘ=দ্ঘ—পুৰাতত্ত্ব আলোচিয়া তথ্য উদ্ঘাটিলে।
সেই কাৰণে তত্ত্বভূষণ উপাধি তেওঁক দিলে ॥
দ্—ব=দ্ব—দ্বীপলৈ গৈ দ্বিতীয়া তিথিত উদ্বেলিত মন।
অদ্বৈত ভাৱেৰে ভজে শ্ৰীহৰিৰ চৰণ।
দ্+ভ=দ্ভ—সদ্ভাৱ এৰি উদ্ভওালিকৈ অদ্ভূত কথা কয়।
মাটিত উদ্ভৱ হোৱা উদ্ভিদ্‌বোৰ জীৱ নয় ॥
দ্+ম=দ্ম—ছদ্মবেশী সাধুজনে পদ্মলৈ হাতত।
ভণ্ডামি কৰিছে দেখা পদ্মা নৈৰ পাৰত ॥
দ্+য=দ্য—মদ্য খাই গদ্য পঢ়িলে পদ্যৰ নিচিনা।
অদ্য কয় কৰিছিলো সদ্য এক ভাৱনা ॥

ব্+য=ব্য—ব্যৱসায়ীয়ে অৰ্থৰ তাৰ কৰে ব্যৱহাৰ।
ব্যগ্ৰভাৱে ব্যথা দূৰ কৰোঁতে প্ৰজাৰ॥

ব্+ৰ=ব্ৰ — বৰ্ব্বৰৰ কি ব্ৰত ব্ৰীড়া খৰ্ব্বৰ কিবা গতি।
ৰ্+ব=ৰ্ব্ব— পৰ্ব্বৰ দিনত সৰ্ব্বজনৰ গৰ্ব্বা নাচত মতি॥

ব্+ল=ব্ল—কুব্লাই খাঁই তব্লা বজায় চীনদেশ জয় কৰি।
'খুব্লেই' বোলে খাচিয়া জনে 'উব্লেইক'
পূজা কৰি।

——ঃ০ঃ——

ভ্+য=ভ্য — সভ্য জনে লভ্য অংশ অইনক দান কৰে।
ভ্+ৰ=ভ্ৰ — ভ্ৰম কৰিও বন্ধুজনক বিভ্ৰম নকৰে॥
ৰ্+ভ=ৰ্ভ — সম্ভ্ৰম কৰি কথা কয় গৰ্ভধাৰিণী মাক।
দৰ্ভ,ফুল দি পূজা কৰে সদাই দেৱতাক॥

——

ম্+য=ম্য—সাম্যকামী গ্ৰাম্য লোকে ভ্ৰাম্যমানক কয়।
আমাৰ কাম্য সুখশান্তি অইন একোনহয়॥

ম্+ৰ=ম্ৰ—তাম্ৰবনৰ পত্ৰ আনি তাম্ৰলিপিখন।
নম্ৰভাৱে পঢ়ি কৰে তত্ত্ব উদঘাটন॥

ৰ্+ম=ৰ্ম্ম—শৰ্ম্মাদেৱে ধৰ্ম্মতত্ত্ব কৰিছে ব্যাখ্যান।
চৰ্ম্মকাৰ দুৰ্ম্মতিয়েও লভি আছে জ্ঞান॥

ম্+ল=ম্ল—অম্লৰোগীৰ ম্লেচ্ছভাৰ সদাই মুখ ম্লান।
আহাৰত তেওঁৰ ৰুচি নাই, উদৰত আধ্মান।

—০ঃ০—

ল্+ক=ল্ক—চিল্কৰ কাপোৰ কিনি শুল্ক দিয়া নাই।
টেকেলাই শৃঙ্খল লগাই বল্কল পিন্ধায়॥
ল্+প=ল্প—কল্পনা জল্পনা কৰে সাধাৰণ জনে।
গল্প লেখে চেৰ লৈ সাহিত্যিকগণে॥
ল্+ব=ল্ব—পল্বলৰ পাৰত আছে সদাশিৱৰ থান।
বিল্বপত্ৰই পূজা কৰি বহি কৰে ধ্যান॥
ল্+ম=ল্ম—কল্মষপাদ মহামুনিৰ গুল্ম লতাৰ ঘৰ।
জাল্ম সাধু কোনোজনাক না ভাৱে ভিন্ পৰ।

---

শ্+চ=শ্চ } পশ্চিমলৈ নি শিৰশ্ছেদ হৰিজোৰাইৰ কৰে।
শ্+ছ=শ্ছ } পশ্চাত থাকি মাধৱদেৱে হৰিৰ নাম সুমৰে॥
শ্+ন=শ্ন—শিশ্ন পূজা বেদৰ ৰীতি শিৱলিঙ্গৰ মূল।
প্ৰশ্ন কৰি ছাত্ৰজনে বুজিলে তাৰ ভুল॥
শ্+ৱ=শ্ব—শ্বাস প্ৰশ্বাস বিশ্বপিতা ঈশ্বৰৰ দান।
বিশ্বাসে আশ্বাস মিলে তৰ্কে বৰ টান॥

দ্‌+ৰ=দ্ৰ
ৰ্‌+দ=ৰ্দ
দ্‌+ৰ্‌+উ=দ্ৰু

হৰিদ্ৰা আৰ্দ্ৰক ৰস গা'ত কৰি মৰ্দ্দন।
দৰিদ্ৰই দদ্ৰু কাহ কৰে নিবাৰণ॥

ৰ্‌+দ্‌+ধ=ৰ্দ্ধ—বৰ্দ্ধমানৰ অৰ্দ্ধবাটত ঊৰ্দ্ধবাহুমুনি।
সাৰ্দ্ধহাত কাপোৰ পিন্ধি কটাইছে ৰজনী॥

---

ধ্‌+য=ধ্য—সাধ্যমতে দ্বিতীয় আধ্যা পঢ়ি ভাগৱত।
আৰাধ্যক পূজি মগ্ন আধ্যাত্মিক ভাৰত॥

ধ্‌+ৰ=ধ্ৰ—অৰ্দ্ধ বাটত গৃধ্ৰ ৰাজে সীতাক দেখা পায়।
লোধ্ৰ ফুলৰ ৰেণুলৈ নমে তেওঁৰ পাৰ॥

ধ্‌+ব=ধ্ব—বংশী-ধ্বনি শুনি ভকত অধ্বলৈ যায়।
মধ্বাচাৰ্য্যক দেখা পাই নমে তেওঁৰ পাৰ॥

---

ন্‌+ম=ন্ম—উন্মনা হলেও জ্ঞানীক কৰিবা সন্মান।
সবাক সন্মতি দিয়ে নিজে ভগৱান॥

ন্‌+ধ্‌+য=ন্ধ্য—বিন্ধ্যাচলত সান্ধ্য আইন কৰিলে
ৰজাই জাৰি।
সন্ধ্যাকালত অমান্য তাক কৰে বন্ধ্যা নাৰী॥

ন্+ত্-ৰ=ন্ত্ৰ—মন্ত্ৰী হোৱা যন্ত্ৰণা বৰ সাধাৰণ তন্ত্ৰত।
অন্ত্ৰভেদি কথা উলিয়ায় বাতবিযন্ত্ৰত॥

---

প্+ত=প্ত—সপ্ত জন ভকতে মিলি আপ্ত বাক্য কয়।
সপ্তাহতো তপ্ত গাখীৰ পোৱা টান হয়॥
প্+য=প্য—তুলসীৰ জাপ্য মালা নিজৰ ডিঙ্গিত আৰি।
আপ্যায়িত হৈ ভকত জনে জপে ৰামহৰি॥
প্+ৰ=প্ৰ—প্ৰতি জীৱৰ প্ৰৱৰ্ত্তক প্ৰভু নাৰায়ণ।
প্ৰলয়ত প্ৰবেশে সবে তেওঁৰে চৰণ॥
ৰ্+প=ৰ্প—সৰ্পধাৰী সদাশিৱ দৰ্পহাৰী হৰি।
খৰ্পৰত অৰ্পিছে মদ তান্ত্ৰিক পূজাৰী॥
প্+ল=প্ল—লোহিতৰ প্লাৱনে দেশত ঘটালে বিপ্লৱ।
চাপ্লাই মন্ত্ৰীয়ে যোগান দিয়া হল অসম্ভৱ॥
ফ্+ৰ=ফ্ৰ—আই-ফ্ৰা-লুঙ পূজা কৰি ফ্ৰাচেঙ-মুঙ বীৰ।
চিফ্ৰাং দি তুৰুকক খেদে কৰতোৱাৰ তীৰ॥
ৰ্+ফ=ৰ্ফ—শৰ্ফৰীয়ে জাল ছিঙ্গি উৰ্ফাল মাৰি গল।
ৰৌ বৰালি কাটল গাগল আটক পৰি ৰল॥

---

শ্‌+ম=শ্ম—অশ্মভেদিৰ পাতৰ ৰস অশ্মৰীৰ দৰব্ব।
শ্মশানত বিনাশ হয় সবাৰ গবৰ্ব॥

—:০:—

ষ্‌+ক=ষ্ক—পুষ্কৰ তীৰ্থলৈ গৈ বাট পালে দুষ্কৰ।
জ্যোতিষ্ক চাই পালে গৈ কিষ্কিন্ধ্যা নগৰ॥

ষ্‌+ম=ষ্ম—ভীষ্মকবীৰে প্ৰতিজ্ঞা বৰ ভীষ্ম সম কৰে।
গ্ৰীষ্ম কালত খঙ্গৰ উষ্মাই জ্বলি পুৰি মৰে।

ষ্‌+ট=ষ্ট
ষ্‌+ট+ৰ=ষ্ট্ৰ
ষ্‌+ঠ=ষ্ঠ
} পুষ্ট দেহা দুষ্ট লৰাই উষ্ট্ৰক লোষ্ট্ৰ মাৰে। জ্যেষ্ঠ জন হল কুষ্ঠৰোগী কোনে কাক সামৰে॥

ষ্‌+ণ=ষ্ণ—কৃষ্ণ বিষ্ণু পূজা কৰি বাঢ়ষ্ণু ভকত।
তৃষ্ণা পালেও বিতৃষ্ণা নাই হৰিৰ নামত॥

ষ্‌+য=ষ্য—ঋষ্যশৃঙ্গ মুনিৰ আশ্ৰম শিঙ্গৰী জনাজাত।
পুৰ্ষ্যবৰ্ম্মাই গোপেশ্বৰ শিৱ পূজি আছিল তাত॥

ৰ্‌+ষ=ৰ্ষ—বৰ্ষাকালত হলকৰ্ষণ কৰে হৰ্ষ মনে।
ঈৰ্ষ্যা কৰে চহাৰ ধন দেখি পাৰ্ষদগণে॥

---

স্‌+ক=স্ক—ভাস্কৰে স্কুলত পায় ভাল পুৰস্কাৰ।
মিছাই লস্কৰে তাক কৰে তিৰস্কাৰ ॥

স্‌+খ=স্খ—দুষ্ট সঙ্গীৰ দোষত হয় সন্তৰো স্খলন।
প্ৰায়শ্চিত্তকৈ পিচত কৰে নিজ পাপ স্খালন ॥

স্‌+ম=স্ম—স্মৃতি গ্ৰন্থত লিখা আছে ভজন আচৰণ।
শ্ৰৱণ, কীৰ্ত্তন, পদসেৱা, বিষ্ণু নাম স্মৰণ ॥

স্‌+ত=স্ত—সস্তা দৰত বস্তু কিনি বস্তা ভৰাই লয়।
বন্দোৱস্তকৈ কস্তুৰাৰ্খাই আশ্ৰমত নি থয় ॥

স্‌+থ=স্থ—সুস্থদেহা গৃহস্থগণ কৰিছে প্ৰস্থান।
আস্থা নাই মৌজাদাৰত যাব নতুন স্থান ॥

স্‌+ন=স্ন—স্নেহবস্তু গাত মাখি সদাই স্নান কৰে।
স্নায়ুৰোগে সেইজনাক কেতিয়াও ন ধৰে ॥

স্‌+প=স্প—
স্‌+স্ফ=স্ফ— } আস্পৰ্দ্ধাকৈ মালযুজাৰুৰে আস্ফোট মাৰি উঠি।
এক আস্ফালে শত্ৰুজনৰ উঠিল গৈ পিঠি ॥

স্‌+য=স্য—শস্য বেচি যশস্যা লাভ কৰিছে বেপাৰী।
হাস্য কৰি লাস্য ভাৱে নাচে ককাল ধৰি ॥

স্‌+ৰ=স্ৰ—প্ৰস্ৰৱণত ধাৰা যেন ওলাইছে অজস্ৰ।
ওস্তাদে এস্ৰাজত সুৰ বজাইছে সহস্ৰ ॥

স্‌+ত্‌+ৰ=স্ত্ৰ—সমাজ শাসনৰ অস্ত্ৰ জানা শাস্ত্ৰ খন ।
সন্ত্ৰস্ত হৈ সদা তাক কৰিবা পালন ॥

হ্‌+ণ=হ্ণ }
হ্‌+ন=হ্ন } — অপৰাহ্ণত জহ্নু মুনি জাহ্নবীৰ পাৰত ।
আহ্নিক কৰি ৰত সদা পুজা হোম জপত ॥

হ্‌+ম=হ্ম—ব্ৰহ্মৰূপী সনাতনে প্ৰণমে ব্ৰাহ্মণ ।
পুষ্কৰত ব্ৰহ্মাৰ মূৰ্ত্তি পূজে সৰ্ব্বজন ॥

হ্‌+য=হ্য—গুহ্য কথা গ্ৰাহ্য নহয় বাহ্যকৈ কলে ।
ন্যায্য কথা সহ্য কৰে বুদ্ধিমান সকলে ॥

হ্‌+ৰ=হ্ৰ }
ৰ্‌+হ=ৰ্হ } — হ্ৰদৰ পাৰত হ্ৰেষা ৰব শুনি ব্ৰাহ্মণগণ ।
গৰ্হিত ভাবে কয় স্তুতি কৰে অৰ্হতগণ ॥

হ্‌+ব=হ্ব—বিহ্বল হৈ গহ্বৰলৈ গৈ কৰিছে আহ্বান ।
বহ্বাৰম্ভত লঘু ক্ৰিয়া হয় অনুমান ॥

হ্‌+ল=হ্ল—প্ৰহ্লাদ হল আহ্লাদিত নৃসিংহ ৰূপ চাই ।
কহ্লাৰ হাতত নমি বোলে—ৰাখা যদুৰাই॥

——:०:——

# বিয়োগ লেখতা

---

‘এৰিযোৱা ভাৰত’—বাণী—গান্ধীজিৰ বচন।
উগুল থুগুল লাগিল দেশত—লাগিল মহাৰণ॥
অসমীয়া বীৰ দশ জনাৰ—খ্যাতি দেশময়।
কুশলকোৱঁৰ ফাচিত মৰিল,—থাকিল বাকী ন(য়)’॥ ১০—১=৯

---

কুমাৰী শ্ৰীকনকলতা—বীৰ বালা সাক্ষাত।
লৈ যায় জাতীয় নিচান—গহপুৰ থানাত॥
বন্দুক হাতত পুলিচে যাই আগুৰিলে বাট।
হু হুহকি প্ৰাণ ত্যজিল---বাকী থাকিল আঠ॥ ৯—১=৮

---

নগাওঁ জিলাৰ বৰমপুৰ গাঁৱত ইংৰাজ কাপ্তান।
লাঞ্ছনা দি প্ৰজাক কাড়ি—নিয়ে কংগ্ৰেছ নিচান॥
ভোগেশ্বৰী ফুকননী বৃদ্ধা—বীৰ সাক্ষাত।
নিচান নি দি প্ৰাণ দিয়ে বাকী থাকিল সাত॥ ৮—১=৭

---

নগাওঁ জিলাৰ বাৰপূজীয়া গাওঁ—বীৰ পূজাৰ থান।
শান্তি সেনাই ৰাখিলে তাত—স্বাধীন চেতাৰ মান॥
সেনানায়ক তিলক ডেকাৰ মিলিটাৰিত নাই ভয়।
গুলিৰ আগত ত্যজিলে প্ৰাণ বাকী থাকিল ছয়॥৭—১=৬

—:o:—

জাতীয় নিচান লৈ গৈ কৰিব স্থাপন।
ঢেকিয়াজুলিত 'মৃত্যুসেনা' কৰিলে গঠন॥
বীৰ নেতা মনবৰ নাথে নিচানলৈ কৰে নাচ।
গুলিৰ কোবত প্ৰাণ ত্যজে বাকী থাকিল পাঁচ॥ ৬—১=৫

—:o:—

মনবৰ নাথৰ বীৰ মাতৃ শ্ৰীমতী খহুলি।
লগতে আছিল তেওঁৰ নুমলী, কুমলী॥
তিলেশ্বৰী, পদুমী আৰু মঙ্গল ভিখাৰী।
মহীৰামৰ সৈতে মৰিল—বাকী থাকিল চাৰি॥ ৫—১=৪

—:o:—

প্ৰজাৰ ওপৰত অত্যাচাৰ জৰিমানা পাইকাৰী।
মাটি বাটি সোণ ৰূপ বেচি আনে মিলিটাৰি॥
নিধনৰামৰ একো ধন নাই অৱস্থা বৰ হীন।
গুলিৰ আগত দিলে প্ৰাণ বাকী থাকিল তিন॥ ৪—১=৩

—o—

বৰপেটাৰ বজালি গাৱঁত দাৰোগাৰ অত্যাচাৰ।
ম'তা মাইকি ভয়ত কঁপে—কৰে হাহাকাৰ॥
অত্যাচাৰীৰ অত্যাচাৰ—কৰিবলৈ নুই।
আগবাঢ়ি মৰে ৰাউতা বড়ো—বাকী থাকিল দুই॥ ৩—১=২

—:০:—

মদন বৰ্ম্মণ, দয়াল পণিকা, কোচ সৰুৰাম।
লক্ষ্মীৰাম, ঠগীৰাম সূত, মুকুন্দ বলোৰাম॥
মিলিটাৰিৰ গুলিত মৰি—ৰাখিলে তেজৰ ৰেখ।
কাম্য আমাৰ স্বাধীনতা—কাম্য আমাৰ এক॥ ২—১=১

—:০:—

ইংৰাজ গ'ল নিজৰ দেশলৈ—ভাৰত হ'ল স্বাধীন।
ধৰ্ম্মচক্ৰযুক্ত নিচান—তিন ৰঙ্গা তাৰ চিন্॥
দেশৰ কাৰণে প্ৰাণ ত্যজিলে দেশৰ বীৰ সন্তান।
নাথুৰামে গুলি মাৰি হৰিলে গান্ধীৰ প্ৰাণ॥
লৰাই কান্দে—বুঢ়াই কান্দে—কান্দে ভাৰত আই।
শূণ্য আজি গোটেই ভাৰত—মহাত্মাজি নাই॥ ১—১=০

—:০:—

# আমাৰ দেশৰ প্ৰাচীন কবি

মাধৱ কন্দলিয়ে ৰচে অসমীয়া ৰামায়ণ।
শঙ্কৰ দেৱে ৰচনা কৰে ভাগৱত, কীৰ্ত্তন ॥
মাধৱদেৱে ৰচনা কৰিলে ঘোষা ৰত্নাৱলী।
কাণ-খোৱা নাম পুথি লিখে শ্ৰীধৰ-কন্দলি ॥
মহাভাৰত ৰচে কবি হেম সৰস্বতী।
'বৃত্ৰাসুৰ বধ' ৰচে শ্ৰীচন্দ্ৰ ভাৰতী ॥
বেহুলাৰ গীত ৰচে সুকৱি নাৰায়ণ।
'সুকনানী' নামে খ্যাত মধুৰ গায়ন ॥
দুৰ্গাৱৰ কবিয়ে ৰচে গীত বিষহৰি।
ওজাপালিয়ে গায় সদা নাম দুৰ্গাৱৰী ॥
ভট্টদেৱে ৰচনা কৰে ভাগৱত-কথা।
গোবিন্দ মিশ্ৰই ৰচে অসমীয়া গীতা ॥
আনন্দৰাম বৰুৱা আছিল সংস্কৃতত পণ্ডিত।
অলেখ গ্ৰন্থৰ টীকা তেওঁৰ আজিও সুবিদিত ॥
আমাৰ দেশৰ মহাকবিক কৰোঁ নমস্কাৰ!
সাহিত্যত ৰতি হো'ক—দেশৰ উদ্ধাৰ ॥

# আমাৰ দেশৰ বুৰঞ্জী

মহাভুতি বৰ্ম্মন ৰজা আছিল মহাজ্ঞানী।
অশ্বমেধ যজ্ঞ কৰায় নাগৰ ব্ৰাহ্মণ আনি ॥
মগধৰ ৰজাৰ লগত আছিল সখিয়তি।
হাটকেশ্বৰ শিৱক পূজে বেদমন্ত্ৰ মাতি ॥
ভাস্কৰ বৰ্ম্মা মহাবীৰৰ শশাঙ্কৰ লগত ৰণ।
হিউয়েন্থ-চাঙ্ চীনা ঋষিৰ কামৰূপ আগমন ॥
শ্ৰীহৰ্ষদেৱৰ বৰবিক্ৰমী শালস্তম্ভ বংশ।
যুদ্ধত জিকে বঙ্গ বিহাৰ উড়িষ্যাৰ অংশ ॥
হৰ্জ্জৰবৰ্ম্মা কৃতকৰ্ম্মা হাজৰা-পুখুৰী খানে।
সুচিন্তৰ শিলালিপি তেজপুৰৰ ঘাটৰ পিনে ॥
ৰত্ন পালৰ দুৰ্জ্জয়া নগৰ হোজাইৰ ওচৰত।
ৰজা প্ৰজা নানা দেশৰ কঁপে তেওঁৰ ভয়ত ॥
ধৰ্ম্মপালে পিচত নগৰ স্থাপিছিল কামপুৰ।
মিকিৰহাটি, গোঁসাই জুৰিত কীৰ্ত্তি তাৰ ভৰপুৰ ॥
তিঙ্গ্যদেৱৰ তিঙ্গ্যেশ্বৰ শিৱ তেজপুৰ নগৰ।
বীৰ বেশেৰে প্ৰাণ ত্যজে ৰণত বঙ্গালৰ ॥
বঙ্গ ৰজা কুমাৰ পালৰ বৈদ্যদেৱ সেনাপতি।
কামৰূপ জয় কৰি হল বৈদৰগড় অধিপতি ॥

তাৰ পিচত আহোম ৰজা সৌমাৰ অধিপতি।
ইন্দ্ৰবংশী স্বৰ্গদেৱ আছিল তেওঁৰ খ্যাতি ॥
বৰাহী, কলিতা, চুতিয়া, ভূঞা, কছাৰিক মাৰি।
সমগ্ৰ দেশৰ আহোম হ'ল অধিকাৰী ॥
ইংৰাজে লভিলে দেশ ইয়ান্দাবু সন্ধিত।
কংগ্ৰেছৰ আন্দোলনত হ'ল বিতাড়িত ॥
ভাৰত স্বাধীন হ'ল, অসম স্বাধীন।
ধৰ্ম্মচক্ৰযুক্ত নিচান তিনৰঙা চিন্ ॥

---

## কলমৰ উৎপত্তি

কলমৰ উৎপত্তি কৈলাস পৰ্ব্বতত।
সৰস্বতী আইয়ে নৰ্মাই আনে ভাৰতত ॥
শিৱৰ ডিঙ্গিত আছে যি বিষধৰ ফণী।
তাৰ গা'ৰে বনাই আছে এইটো লেখনী ॥
নীলকণ্ঠ শিৱৰ ডিঙিত বিষ বাসুকীৰ।
তাৰে সজাই দোৱাত কলম জানিবাহা থিৰ ॥
সমুদ্ৰ মন্থন কৰে সাপক কৰি জৰি!
বাসুকীয়ে বসুন্ধৰা আছে মূৰত ধৰি ॥

পৰীক্ষিতক দংশন কৰিল তক্ষক সৰ্পৰাজ।
কালিয় নাগে লখিন্দাৰক লোহৰ ঘৰৰ মাজ॥
দুফলা সাপৰ জিভা—কলমৰ মুখ।
সেই কাৰণে ওলায় তাতে সুখ আৰু দুঃখ॥
সেই কাৰণে বেগাই কলম চলে সাপৰ দৰে।
কাকো সদ্য ৰজা বনায়—কাকো ঘাইল কৰে॥
সাপৰ মূৰত মণি থাকে—বিহ থাকে জিভাত।
সেই কাৰণে ভাল বেয়া দুয়ো ওলায় তাত॥
খগৰাজ সাপৰ শত্ৰু তাৰ পাখি আনি।
আগৰ কালত কলম বনায় প্ৰাচীন কালৰ জ্ঞানী॥
ভাল মন্দ সবাৰে স্থিৰ কৰে বিচাৰ কৰি।
সেই কাৰণে কলমৰ ঠাই কৰ্ণৰ উপৰি॥
আজি কালি ভিন্ ভাব হ'ল, ভিন্ হ'ল সবাৰ মতি।
সেই কাৰণে জেপৰ মাজত কলমৰ বসতি॥
আজি কালিৰ কলমবোৰৰ পেটত ভৰা কালি
মুখখন সদাই চাক্‌চিকুন—দেখাত সোণোৱালী॥
লেখা কথাত পেটৰ কথাত থাকে ভেদাভেদ।
কেতিয়াবা টান হৈ পৰে পোৱা তাৰ সম্ভেদ॥

——:০:——

## আধুনিক যন্ত্ৰ

—:০:—

দূৰণিৰ সন্ত্য কথা ৰেডিও যন্ত্ৰত।
দূৰণিৰ বাতৰি আনি দিয়ে টেলিগ্ৰামত ॥
এৰোপ্লেন আকাশী-জাহাজ পলকত তাৰ গতি।
মালবস্তু মানুহ বয় বণত থাকে মতি ॥
সাগৰত জাহাজ চলে নৈত চলে ষ্টীমাৰ।
থলত চলে ৰেল মটৰ লৰি বাছ ট্ৰেক্টাৰ ॥
আকাশত যুজাৰু জাহাজ বোমাৰু ফাইটাৰ।
সাগৰৰ পানীত যুজে টৰ্পেডো ডেষ্ট্ৰয়াৰ ॥
ভুঁইত অস্ত্ৰ ৰাইফেল, টেঙ্ক, ব্ৰেনগান, কামান।
তাক লৈ আমাৰ বীৰ সন্তানেঁ ৰাখে দেশৰ মান ॥

## আধুনিক সাজপাৰ

—:০:—

ব্লাউজ, বডিচ, শাড়ী আজি পিন্ধে তিৰোতাই।
কোট, পেণ্ট, কামিজ, নেকটাই পিন্ধে সব লৰাই ॥
বুট, জুতা, চটি, চেণ্ডেল সবাৰে ভৰিত।
হাতত চুড়ি ; কাণত দোল ; হাৰ লকেট ডিঙিত ॥
মেখেলা, ওৰনি, ৰিহা প্ৰাচীন কলীয়া ৰীতি।
ধুতি, চাদৰ, বুকুছোলা, পাগত হো'ক মতি ॥

## অঙ্ক গণনা

একে—চন্দ্ৰ, ভুমি, গুৰু ; দুয়ে—পক্ষ, চকু ভুৰু ॥
তিনে—ঋণ, বাম, গুণ ; চাৰিত—বেদ, জীব, যুগ ॥
পাঁচে—মকাৰ, ভূত, বাণ ; ছ'য়ে—ঋতু, ৰিপু, ৰাগ ॥
সাতে—অশ্ব, মুনি, সাগৰ ; আঠে—ধাতু, বসু, পাহাৰ ॥
ন'য়ে—ভাৱ, মণি, ৰস ; দশ-এ—দিক্, কৰ্ম্ম, অৱতাৰ ॥

## আধুনিক শাসন পদ্ধতি

আমি গাৱঁলীয়াই ভোট দি কৰো মেম্বৰ নিৰ্ব্বাচন।
সেই অঞ্চলৰ তেওঁ মুখীয়াল-পায় কাউন্চিলত আসন ॥
ৰাজনৈতিক ভিন্ ভিন্ দলৰ ভিন্ ভিন্ দলপতি।
মিলি জুলি ডাঙৰ দলৰ বাছে কেইজন মন্ত্ৰী ॥
শিক্ষা, ৰাজহ, আবগাৰি, স্বায়ত্ত্ব-শাসন।
খোৱা-যোগনীয়া, পুলিচ, বন, গৰকাপ্তানী, শাসন ॥
সমবায়, শিল্প, স্বাস্থ্য, গাৱঁ-উন্নয়ন।
বিভাগ আদিত মন্ত্ৰী বাছি দিয়ে সদস্যগণ ॥
কোনো কোনো মন্ত্ৰীৰ লগত থাকে সহায়কাৰী।
নিৰ্ব্বাচিত সদস্য তেওঁ—পাৰ্লিয়ামেণ্টাৰী চেক্ৰেটৰী ॥

সকলৰ ওপৰত থাকে আমাৰ প্ৰধান মন্ত্ৰী।
অইন সকল যন্ত্ৰ যেন তেওঁৱেঁই আচল যন্ত্ৰী॥
ৰাজবিষয়া প্ৰতি বিভাগত আছে চেক্ৰেটৰী।
সহায়কাৰী প্ৰতিজনাৰ আণ্ডাৰ-চেক্ৰেটৰী॥
প্ৰতি বিভাগতে আছে অসংখ্য কেৰাণী।
ওপৰওৱালা ৰেজিষ্ট্ৰাৰ তেওঁ জ্ঞানীগুণী॥
চীফ্ চেক্ৰেটৰী জন হ'ল বিষয়া প্ৰধান।
সকলো বিভাগত তেওঁৰ আছে পুৰা জ্ঞান॥
প্ৰতি জিলা মহকুমাত প্ৰতি বিভাগৰ।
থাকে নানা ৰাজ-বিষয়া সৰু, মাজু ডাঙৰ॥
পাব্লিক্ চাৰ্ভিচ কমিচনৰ জ্ঞানীগুনী তিনিজন।
মিলি জুলি কৰে সদা বিষয়া নিৰ্ব্বাচন॥
সবাৰ ওপৰতে আছে প্ৰদেশপাল গবৰ্ণৰ।
প্ৰতিটো বিষয়ত সদা আছে তেওঁৰ নজৰ॥
দেশৰ চাকৰ দহৰ চাকৰ ৰাজ বিষয়াগণ।
দেহেকেহে চলাই আছে দেশৰ সুশাসন॥

——:o:——

# স্বাধীন অসমৰ প্ৰথম মন্ত্ৰী

——:০:——

প্ৰধান মন্ত্ৰী গোপীনাথৰ শিল্প, শিক্ষাৰ ভাৰ।
অমিয় দাস তেল, কাপোৰ, খাদ্য যোগনীয়াৰ॥
বিষ্ণুৰাম মেধিৰ হাতত ৰাজহৰ ধন।
ৰূপনাথ ব্ৰহ্মই ৰখি আছে আমাৰ দেশৰ বন॥
ৰামনাথ দাসৰ যান-বাহন আৰু দৰব-পানী।
তৈয়বুল্লাই দেশৰ পৰা খেদিছে বিহ-কানি॥
গৰকাপ্তানীত নিকল্‌চ্‌ ৰায় জেমচ্‌ জয়মোহন।
মজুমদাৰ মতলিবৰ কৃষি, স্বায়ত্ত্ব শাসন॥
অষ্ট মন্ত্ৰী আমাৰ দেশৰ অষ্ট দিক্‌পাল।
স্বাধীন দেশৰ স্বাধীন প্ৰজাৰ সুখৰ কপাল॥
পাৰ্লিয়ামেণ্টাৰি চেক্ৰেটৰী আছে চাৰিজন।
বিমলা চলিহাৰ ব্ৰত পল্লী উন্নয়ন॥
প্ৰধান মন্ত্ৰীৰ সহায়কাৰী চেতিয়া পূৰ্ণানন্দ।
সকলো কামতে সদাই পৰম আনন্দ॥
চৌধুৰী মহেন্দ্ৰ মোহন সদাই শিক্ষাত ব্ৰতী।
গাৱেঁ ভূৱেঁ শিক্ষা দিয়াত আগ্ৰহ তেওঁৰ অতি॥
ৰাজহ বিভাগত আছে দাস হৰেশ্বৰ।
সদাই চেষ্টা বঢ়াবলৈ ৰাজহ দেশৰ॥

বাৰ চক্ৰৰ বাৰ ৰবি এই বাৰ জন।
একান্ত ভাৱে কৰে সেৱা জন-গণ-মন ॥
দেশৰ কামত দহৰ কামত নিয়োজিত প্ৰাণ।
স্বাধীন দেশত উৰাই আছে ত্ৰিৰঙ্গা নিচান ॥

—০—

## প্ৰাৰ্থনা

তুমি চিত্তবৃত্তি মোৰ প্ৰবৰ্ত্তক নাৰায়ণ
তুমি নাথ, মই নাথৱন্ত।
চৰণ-ছত্ৰৰ ছায়া দিয়া দূৰ কৰা মায়া
কৰা দয়া মোক ভগৱন্ত ॥
তুমি মোৰ অন্তৰ্য্যামি তযু ভৃত্য ভৈলো আমি
জানি কৃপা কৰা হৃষীকেশ।
দন্তে তৃণ তুলি লওঁ যি মতে সেৱাত ৰও
দিয়া মোক সেহি উপদেশ ॥
ধৰ্ম্মক জানোহো মই তথাপি প্ৰবৃত্তি নাই
অধৰ্ম্মত নিবৃত্তি নোহয়।
হৃদিস্থিত হুৱা তুমি যেন কৰাবাহা স্বামি!
হৃষীকেশ কৰিবো তেনয় ॥
ন জানোহো আৱাহন ন জানোহো বিসৰ্জ্জন
পূজা মন্ত্ৰ ন জানো কিঞ্চিত।
এতেকে পৰমেশ্বৰ দাস ভৈলো চৰণৰ
মোৰ গতি সাধিবে উচিত ॥

—:০:—

[ ঘোষা ]

# জাতীয় সঙ্গীত

অ-মোৰ আপোনাৰ দেশ—
অ-মোৰ চিকুণী দেশ—
এনেখন শুৱলা
এনেখন সুফলা
এনেখন মৰমৰ দেশ ॥
অ-মোৰ সুৰীয়া মাত—
অ-মোৰ সুৱদি মাত—
পৃথিবীৰ ক'ৰতো
বিচাৰি নো পোৱা—
জনমটো কৰিলেও পাত ॥
অ-মোৰ ওপজা ঠাই—
অ-মোৰ অসমী' আই—
চাই লওঁ এবাৰ
মু'খনি তোমাৰ
হেপাহ মোৰ পলোৱা নাই ॥